**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-03-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ইৰানৰ ওপৰত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলৰ বিমান আক্ৰমণ আজি দ্বিতীয় দিনাও অব্যাহত আছে। তেহৰানত আজিও বিস্ফোৰণৰ বাতৰি পোৱা গৈছে। আমেৰিকা আৰু ইজৰাইলৰ আগ্ৰাসী অভিযান ৰাজধানী চহৰখনলৈকে বিয়পি পৰিছে। ইপিনে, ইৰানেও ইজৰাইলৰ ওপৰত ক্ষেপনাস্ত্ৰ আৰু ড্ৰোণেৰে প্ৰত্যাক্ৰমণ চলোৱাৰ লগতে পশ্চিম এছিয়া তথা চৌদি আৰব আৰু সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰত থকা আমেৰিকাৰ সামৰিক ঘাটিত আক্ৰমণ চলাইছে। ইৰানৰ ইছলামিক ৰিভʼলিউচনেৰী গাৰ্ডছ কৰ্পে এটা বিবৃতিত প্ৰকাশ কৰা মতে দেশখনে চাৰিটা বেলিষ্টিক ক্ষেপনাস্ত্ৰৰে আমেৰিকাৰ নৌসেনাৰ বিমান পৰিবাহী জাহাজ ইউ এছ্ এছ্ আব্ৰাহাম লিংকনত আক্ৰমণ কৰে। ইৰানৰ ক্ষেপনাস্ত্ৰ আক্ৰমণত ইজৰাইলৰ বেইট ছেমেচ চহৰত মৃত্যু হোৱা লোকৰ সংখ্যা ৯জনলৈ বৃদ্ধি পাইছে বুলি ইজৰাইলী তাৎক্ষণিক সেৱা বিভাগে জনাইছে। ইপিনে, ইৰাণৰ আক্ৰমণত বৰ্তমানলৈকে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰত তিনিজন লোকৰ মৃত্যু হোৱা বুলি ইউ এ ইৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে নিশ্চিত কৰিছে। ইৰানে ইউ এ ইক লক্ষ্য কৰি চলোৱা ১৬৫টা বেলিষ্টিক মিছাইলৰ ১৫২টা প্ৰতিহত কৰা হয় আৰু ইয়াৰে ১৩টা সাগৰত পৰে বুলি মন্ত্ৰালয়ে জনাইছে। আমেৰিকাৰ সামৰিক ঘাটি থকা কাটাৰ, বাহৰেইন, জৰ্ডান আৰু কুৱেইটেও ইৰাণৰ বহুকেইটা ক্ষেপনাস্ত্ৰ প্ৰতিহত কৰা বুলি প্ৰকাশ কৰিছে। অৱশ্যে ক্ষেপনাস্ত্ৰৰ অৱশেষসমূহে বিভিন্ন ঠাইত বিস্তৰ ক্ষতি কৰা বুলিও জানিব পৰা গৈছে।

ইৰানত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ পৰা ৪ শতাধিক আন্তঃৰাষ্ট্ৰীয় বিমানৰ সেৱা বাতিল কৰাৰ লগতে সময়সূচী সালসলনি কৰা হৈছে।

০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে গুৱাহাটী মহানগৰীৰ পাহাৰত বসবাস কৰা খিলঞ্জীয়া লোকসকলক ভূমি পট্টা প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ হʼব বুলি ৰাজহ মন্ত্ৰী কেশৱ মহন্তই প্ৰকাশ কৰিছে। আজি গুৱাহাটীত আয়োজিত এখন সভাত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰি কয় যে মুখ্যমন্ত্ৰীৰ সৈতে এই সন্দৰ্ভত আলোচনা কৰা হৈছে আৰু পৰৱৰ্তী ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত এই বিষয়ে প্ৰস্তাৱ গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই বিষয়টো বিধানসভাৰ অধিবেশনসমূহত উত্থাপন কৰি আহিছিল বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ভূমি পট্টা প্ৰদানৰ ক্ষেত্ৰত থকা আইনী অসুবিধাসমূহ আঁতৰ হোৱাৰ পাছত ভূমি পট্টা প্ৰদান কৰিব পৰা যাব।

বাইট (কেশৱ মহন্ত)

০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি চিৰাং জিলা ভ্ৰমণ কৰি যাৱতীয় প্ৰস্তুতিৰ বুজ লয়। শ্ৰীগোৱেলে কাজলগাঁৱত উপস্থিত হৈ নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনৰ প্ৰস্তুতিৰ সমগ্ৰ দিশ পৰ্যালোচনা কৰে। তেওঁ লগতে ছিদলী-চিৰাং আৰু বিজনী বিধানসভা সমষ্টিৰ ভোটগ্ৰহণ কেন্দ্ৰৰ বিৰৰণ, যাতায়াত ব্যৱস্থা, ভোটগণনা কোঠা, ষ্ট্ৰং ৰুম আদি পৰিদৰ্শন কৰি যাৱতীয় নিৰ্দেশ দিয়ে। এই ভ্ৰমণ কালত শ্ৰীগোৱেলৰ সৈতে জিলা আয়ুক্ত যতিন বৰা, জ্যেষ্ঠ আৰক্ষী অধীক্ষক ধ্ৰুৱ বৰা, জিলা নিৰ্বাচনী বিষয়া অভিজিত ৰাজখোৱাকে ধৰি নিৰ্বাচনৰ সৈতে জড়িত অন্যান্য বিষয়াসকল উপস্থিত থাকে।

ooooo

অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত আজি ৰাজ্যজুৰি ২০২৬ বৰ্ষৰ প্ৰজ্ঞান প্ৰতিভা সন্ধানী পৰীক্ষা অনুষ্ঠিত হয়। চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত এই পৰীক্ষাত মৰিগাঁৱৰ মায়ং, কপিলী, লাহৰীঘাট আৰু ভূৰবন্ধা খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ অন্তৰ্গত বিভিন্ন বিদ্যালয়ৰ দুহেজাৰ ১৫৯ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীয়ে মায়ং আৰু মনহা পৰীক্ষা কেন্দ্ৰ পৰ্যবেক্ষণ কৰাৰ লগতে অভিভাৱকসকলৰ সৈতে মত-বিনিময় কৰে।

ooooo

শ্ৰীভূমি জিলাৰ কৰিমগঞ্জ মহাবিদ্যালয়ত আজি জিলা পৰ্যায়ত যুৱ সংসদ কাৰ্যসূচী অনুষ্ঠিত হয়। শ্ৰীভূমি আৰু হাইলাকান্দি জিলাৰ কেইবাখনো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা যুৱ সংসদত **ভাৰতত জৰুৰী অৱস্থাৰ ৫০ বছৰ ঃ গণতন্ত্ৰৰ বাবে শিক্ষণীয় দিশ** বিষয়ত আলোচনা কৰা হয়। অনুষ্ঠানত অংশ লৈ **মেৰা য়ুৱা ভাৰত** কাৰ্যসূচীৰ উপ-সঞ্চালক মেহবুব আলম লস্কৰে যুৱ সংসদৰ গুৰুত্ব বিষয়ে অৱগত কৰে। ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ মিছন ৰঞ্জন দাসে অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বিকশিত ভাৰত নিৰ্মাণত যুৱ সমাজৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰে। আজিৰ কাৰ্যসূচীৰ পৰা পাঁচগৰাকী অংশগ্ৰহণকাৰীক ৰাজ্যিক পৰ্যায়ৰ যুৱ সংসদ কাৰ্যসূচীৰ বাবে বাছনি কৰা হয়।

ooooo

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত ছুপাৰ এইটৰ এখন গুৰুত্বপূৰ্ণ খেলত ৱেষ্ট ইণ্ডিজে ভাৰতক জয়ৰ বাবে ১৯৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে আমালৈ বাতৰি পৰলৈ ৫ অভাৰত এটা উইকেট হেৰুৱা ৪১ ৰাণ কৰি খেলি আছে। ইয়াৰ পূৰ্বে ৱেষ্ট ইণ্ডিজে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত চাৰিটা উইকেট হেৰুৱাই ১৯৫ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ ৰোষ্টন চেজে সৰ্বাধিক ৪০ ৰাণ কৰে। যশপ্ৰীত বুমৰাই দুটা উইকেট দখল কৰাৰ লগতে হাৰ্দিক পাণ্ডিয়া আৰু বৰুণ চক্ৰৱৰ্তীয়ে এটাকৈ উইকেট লাভ কৰে।

ooooo

ঃঃ সমাপ্ত ঃঃ